# 2019

## PHILOSOPHY

## ( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

*(a)* Name the philosopher who initiated free enquiry in philosophical domain.

দৰ্শনৰ ক্ষেত্ৰলৈ মুক্ত অনুসন্ধানৰ সূচনা কৰা দাৰ্শনিকজনৰ নাম লিখা।

*(b)* Give one reason for regarding Descartes as the 'father of modern philosophy'.

ডেকাৰ্টক 'আধুনিক দৰ্শনৰ পিতৃ' বুলি আখ্যা দিয়াৰ এটা কাৰণ উল্লেখ কৰা।

(c) Name the entity whose existence can be known with certainty according to Descartes.

ডেকার্টৰ মতে যি সত্তাৰ অস্তিত্ব সম্পৰ্কে নিশ্চিতভাৱে জানিব পৰা যায় সেই সত্তা কি, উল্লেখ কৰা।

(d) State one reason for which Descartes can be called a typical dualist.

ডেকাৰ্টক কিয় বিশেষভাৱে দ্বৈতবাদী দাৰ্শনিক বুলি কোৱা হয়, তাৰ এটা কাৰণ উল্লেখ কৰা।

(e) Name the philosopher who declared that 'God and Nature are one'.

'ঈশ্বৰ আৰু প্ৰকৃতি এক' বুলি ঘোষণা কৰা দাৰ্শনিকজনৰ নাম লিখা।

(f) How many attributes does the substance have according to Spinoza?

স্পিনোজাৰ মতে দ্ৰব্যৰ গুণৰ সংখ্যা কিমান, উল্লেখ কৰা।

(g) Descartes/Spinoza/Leibniz was regarded as a hideous atheist.

( Choose the correct answer )

ডেকার্ট/স্পিনোজা/লিবনিজক এজন কঠোৰ নাস্তিক বুলি আখ্যা দিয়া হয়।

( শুদ্ধ উত্তৰটো বাচি উলিওৱা )





(h) Who defined substance as a centre of force?

দ্ৰব্যক শক্তিৰ কেন্দ্ৰ বুলি আখ্যা দি সংজ্ঞা দিয়া দাৰ্শনিকজন কোন?

(i) Name the lowest kind of monad according to Leibniz.

লিবনিজৰ মতে আটাইতকৈ নিম্ন স্তৰৰ মনাডক কি বুলি কোৱা হয়, লিখা।

(j) What is the meaning of 'Actus Purus' according to Leibniz?

লিবনিজৰ মতে 'Actus Purus'ৰ অৰ্থ কি?

**2.** Give short answers to the following : $2\times5=10$

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) What are the two kinds of activity of the monads according to Leibniz?

লিবনিজৰ মতে মনাডৰ দুই প্ৰকাৰৰ ক্ৰিয়া কি, উল্লেখ কৰা।

(b) Name the two attributes of substance which the human mind can know as laid down by Spinoza.

স্পিনোজাৰ মত অনুসৰি মানুহে জানিব পৰা দ্ৰব্যৰ গুণ দুটা কি, উল্লেখ কৰা।

(c) To whom the term 'causa sui' is applied according to Spinoza? Explain its meaning.

'Causa sui' শব্দটো স্পিনোজাৰ মতে কাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়? ইয়াৰ অৰ্থ ব্যাখ্যা কৰা।

(d) State the meaning of 'monism'. Name one monistic philosopher.

'একত্ববাদ'ৰ অৰ্থ কি, লিখা। এজন একত্ববাদী দাৰ্শনিকৰ নাম উল্লেখ কৰা।

(e) State two important points about the Cogito (Self) in the philosophy of Descartes.

ডেকাৰ্টৰ দৰ্শনত Cogito (আত্মা) সম্পৰ্কে দুটা গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰা।

3. Answer any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) State about the four rules of Descartes' method of philosophy.

ডেকাৰ্টৰ দাৰ্শনিক পদ্ধতিত উল্লেখ কৰা চাৰিটা নিয়ম সম্পৰ্কে লিখা।





(b) "Every determination is negation." Explain the statement with reference to its context.

"নিৰ্ধাৰিতকৰণৰ অৰ্থ হ'ল অস্বীকাৰকৰণ।" প্ৰসঙ্গ-সঙ্গতি ৰাখি এই উক্তিটো ব্যাখ্যা কৰা।

(c) Explain the nature of Cartesian doubt distinguishing it from psychological doubt.

মনস্তাত্ত্বিক সন্দেহ বা সংশয়ৰ পৰা পৃথক কৰি ডেকাৰ্টীয় সন্দেহ বা সংশয়ৰ প্ৰকৃতি ব্যাখ্যা কৰা।

(d) Write a brief note on the nature of God or Supreme Monad in the philosophy of Leibniz.

লিবনিজৰ দৰ্শনত ঈশ্বৰ বা পৰম মনাডৰ প্ৰকৃতি সম্পৰ্কে এক চমু টোকা লিখা।

(e) Define substance after Spinoza. State three features of substance. 2+3=5

স্পিনোজাৰ মতে দ্ৰব্যৰ সংজ্ঞা আগবঢ়োৱা। দ্ৰব্যৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা।

**4.** Answer any *four* of the following : 10×4=40

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Explain the meaning of *cogito ergo sum* (I think, therefore, I exist) and also determine the position it occupies in Cartesian philosophy. 5+5=10

*Cogito ergo sum* (মই ভাবোঁ, গতিকে মই অস্তিত্বশীল) বোলা কথাষাৰৰ অৰ্থ ব্যাখ্যা কৰা আৰু লগতে ডেকাৰ্টৰ দৰ্শনত এই কথাষাৰে কি স্থান অধিকাৰ কৰিছে, নিৰ্ধাৰণ কৰা।

*(b)* Examine critically Descartes' philosophical method.

ডেকাৰ্টৰ দাৰ্শনিক পদ্ধতিটো সমালোচনাত্মকভাৱে পৰীক্ষা কৰা।

*(c)* How does Descartes solve the problem of mind-body relation? Explain.

মন আৰু শৰীৰৰ সম্পৰ্ক-সম্বন্ধীয় সমস্যাটো ডেকাৰ্টে কেনেকৈ সমাধান আগবঢ়াইছিল, ব্যাখ্যা কৰা।

*(d)* Discuss critically Spinoza's views on 'attributes' and 'modes'.

'গুণ' আৰু 'বিন্যাস' সম্বন্ধীয় স্পিনোজাৰ ধাৰণা সম্পৰ্কে সমালোচনাত্মক আলোচনা আগবঢ়োৱা।





*(e)* Write an essay on the monistic philosophy of Spinoza. Is it pantheistic? 6+4=10

স্পিনোজাৰ একত্ববাদী দৰ্শনৰ ওপৰত এখন ৰচনা লিখা। স্পিনোজাৰ দৰ্শন সৰ্বেশ্বৰবাদী হয়নে?

*(f)* Explain Leibniz's theory of monads. What is the meaning of the expression 'monads are windowless'? 6+4=10

লিবনিজৰ মনাড-সম্পৰ্কীয় তত্ত্বটো ব্যাখ্যা কৰা। 'মনাডসমূহ খিৰিকীবিহীন' বোলা কথাষাৰৰ অৰ্থ কি, লিখা।

*Or / নাইবা*

Give an account of the doctrine of pre-established harmony of Leibniz. 10

লিবনিজে আগবঢ়োৱা জগতৰ পূৰ্ব-সংস্থাপিত শৃঙ্খলা-সম্পৰ্কীয় মতবাদটো ব্যাখ্যা কৰা।

★★★